মিউচুৱেল ফাণ্ডৰ বিপৰীতে লোন আৰু শ্বেয়াৰৰ বিপৰীতে লোনৰ বাবে ফ্লেক্সি লোনৰ সূচী / অতি গুৰুত্বপূৰ্ণ চর্ত আৰু নিয়ম

1.	কার্যকৰীকৰণৰ স্থান	নতুন দিল্লী (সেই স্থান য'ত লোনদাতাই লোন চুক্তিত স্বাক্ষৰ কৰিব)
2.	কার্যকৰীকৰণৰ তাৰিখ	সেই তাৰিখ যিদিনাৰ পৰা লোনদাতাই এই চুক্তিখন কার্য্যকৰী কৰিব
3.	লোনৰ প্রকাৰ	লোনদাতাই নির্ধাৰণ কৰা ছিকিউৰিটিজ যেনে ডিমেটেৰেলাইজড শ্বেয়াৰ / মিউচুৱেল ফাণ্ডৰ ইউনিট / বণ্ড/অন্য ছিকিউৰিটিজ বন্ধক দিয়াৰ বিপৰীতে ফ্লেক্সি লোন।
4.	অনুমোদিত লোনৰ পৰিমাণ	লোনৰ পৰিমাণ: _____ টকা (কেৱল..... ....টকা) লোনৰ চর্তসমূহ মানি চলাৰ অধীনত যি ধনৰাশি আৱর্তকিত্তীয় ভিত্তিত উলিয়াব পৰা যাব। আপোনাৰ ঋণ একাউণ্টৰ আহৰণ ক্ষমতা আপুনি লোনদাতাৰ ওচৰত বন্ধক / আৰোপ কৰা প'টফ'লিঅ'ৰ অনুমোদিত আৰু গ্রহণযোগ্য ছিকিউৰিটিজৰ বজাৰ মূল্যৰ ওপৰত মার্জিন প্রয়োগ কৰাৰ পিছত গণনা কৰা হয়। লোনদাতাই সাময়িকভাৱে (আনকি দৈনিক ভিত্তিতো) আপোনাৰ প'টফ'লিঅ'ৰ পুনৰ মূল্যাংকন কৰিব পাৰে আৰু প্রয়োজন সাপেক্ষে আহৰণ ক্ষমতা সংশোধন (হ্রাস বা বৃদ্ধি) কৰিব পাৰে। আপুনি আপোনাৰ ফ্লেক্সি লোনৰ ধন ওপৰত মঞ্জুৰ কৰা সর্বোচ্চ সীমাৰ অধীনত কেৱল আপোনাৰ আহৰণ ক্ষমতাৰ পৰিমাণলৈকেহে ব্যৱহাৰ কৰিব পাৰিব।
5.	উপলব্ধতাৰ সময়সীমা	কার্য্যকৰীকৰণৰ তাৰিখৰ পৰা মেচিউৰিটি তাৰিখৰ 15 দিনৰ আগতে ম্যাদ উকলি যোৱালৈকে (তলত দিয়া ধৰণে নবীকৰণ কৰিব পাৰি)।
6.	উদ্দেশ্য	[•] (a) ফ্লেক্সি লোন ইয়াত উল্লেখ কৰা উদ্দেশ্যৰ বাহিৰে আন কোনো কামত ব্যৱহাৰ কৰা নহ'ব, যাৰ ভিতৰত অবৈধ, অসামাজিক, টকাৰ সুতৰ বেপাৰ আৰু আনুমানিক বিনিয়োগ, ৰিয়েল এষ্টেটত আনুমানিক মুলধন বিনিয়োগ, অন্য ব্যক্তিক ধাৰলৈ দিয়া বা ছিকিউৰিটি, ডিবেঞ্চাৰ বা ষ্টক মার্কেটত বিনিয়োগৰ বাবে ব্যৱহাৰ কৰা নহ'ব। (b) ইয়াত উল্লেখ কৰা ধৰণে ফ্লেক্সি লোনৰ ধনৰ শেষ ব্যৱহাৰ/উদ্দেশ্য ফ্লেক্সি লোনৰ সছোৱাত কোনো ধৰণে সলনি কৰা নহ'ব বা শেষ ব্যৱহাৰৰ এনে পৰিৱর্তন কেৱল লোনদাতাৰ পূর্বৰ লিখিত অনুমতি সাপেক্ষেহে হ'ব। (c) ওপৰৰ প্রতিশ্রুতিৰ যিকোনো উলংঘা এই চুক্তিৰ চর্ত আৰু নিয়ম উলংঘা কৰাৰ সমান হ'ব আৰু লোনদাতাই মোৰ/আমাৰ বিৰুদ্ধে যাৱতীয় আইনী বা প্রশাসনিক ব্যৱস্থা গ্রহণ কৰিবলৈ মুক্ত হ'ব, য'ত ফ্লেক্সি লোনৰ বাকী থকা ধন স্থগিত কৰা অথবা সম্পূর্ণ ফ্লেক্সি লোনৰ ধন ঘুৰাই বিচৰা) অন্তর্ভুক্ত, যিটো লোনদাতাই উপযুক্ত বুলি বিবেচনা কৰে
7.	ম্যাদপূর্তিৰ তাৰিখ	[•],যিটো লোনদাতাৰ একমাত্র আৰু নিৰপেক্ষ বিবেচনা অনুসৰি এনে সংশোধিত চর্ত আৰু নিয়ম অনুসৰি লোনলওঁতাৰ অনুৰোধত নবীকৰণ কৰিব পাৰি।
8.	উপলব্ধতাৰ সময়সীমা	লোন চুক্তিৰ তাৰিখৰ পৰা মেচিউৰিটি তাৰিখৰ 15 দিনৰ আগতে ম্যাদ উকলি যোৱালৈকে (ইয়াত উল্লেখ কৰা ধৰণে নবীকৰণ কৰিব পাৰি)।
9.	সুতৰ ধৰণ	নির্দিষ্ট
10.	সুতৰ হাৰ(ROI)	

11.	দেয় তাৰিখ বা সুত পৰিশোধৰ তাৰিখ	পূৰ্বৰ মাহৰ বাবে প্ৰতি মাহৰ 5 তাৰিখে বা তাৰ আগতে, অথবা লোনদাতাই অন্য ধৰণে যোগাযোগ নকৰালৈকে।
12.	লোনৰ ধন পৰিশোধ	লোনলওঁতাই মেচিউৰিটি তাৰিখ বা তাৰ আগতে লোনদাতাক সমগ্ৰ বাকী থকা লোনৰ ধন ঘূৰাই দিব লাগিব।
13.	পৰিশোধৰ ধৰণ	এনএচিএইচ /ই এনএচিএইচ(NACH / ENACH)
14.	মুলধন আৰু সুতৰ মাজত ভাগ	অনুগ্ৰহ কৰি মুল তথ্য পত্ৰৰ পৰিশোধ সূচী চাওক
15.	**অনুমোদন পত্ৰ**	তাৰিখ: .....
16.	ছিকিউৰিটিজ	ছিকিউৰিটিজৰ বন্ধক যেনে ডিমেট্ৰিয়েলাইজ তালিকাভুক্ত শ্বেয়াৰ, মিউচুৱেল ফাণ্ডৰ ইউনিট, বণ্ড, ব্যক্তিগত বীমা পলিচীৰ ইউনিট আৰু লোনদাতাই সময়ে সময়ে অনুমোদন কৰা অন্যান্য ছিকিউৰিটিজ; আৰু ইয়াৰ ভিতৰত লোনদাতাই পূৰ্বে গৃহীত কৰা কোনো ছিকিউৰিটিজৰ সলনি বা সংযোজন হিচাপে স্বীকাৰ কৰা যিকোনো ছিকিউৰিটিজো অন্তৰ্ভুক্ত হ'ব।
17.	মার্জিন বা লাভ্যাংশ	ইকুইটি শ্বেয়াৰ আৰু ইকুইটি ইনষ্ট্ৰুমেণ্টৰ বাবে নূন্যতম 50% (নূন্যতম 2 বাৰ) আৰু পিইএল(PEL)-ৰ আভ্যন্তৰীণ নীতি অনুসৰি অন্যান্য ছিকিউৰিটি লোনদাতাই স্বীকাৰ আৰু অনুমোদন কৰা মার্জিন আৰু / অথবা ছিকিউৰিটিজৰ তালিকা সংশোধিত কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব লোনদাতাৰ থাকিব। তদুপৰি, যদি ভাৰতীয় ৰিজাৰ্ভ বেংক বা অন্য কোনো চৰকাৰী কৰ্তৃপক্ষই অধিক মার্জিনৰ নিৰ্দেশ দিয়ে, তেন্তে সেয়া স্বয়ংক্ৰিয়ভাৱে আৰু তাৎক্ষণিকভাৱে প্ৰযোজ্য হ'ব আৰু লোনৰ মার্জিন বজাই ৰাখিবলৈ লোনলওঁতা কোনো পলম নকৰাকৈ অতিৰিক্ত ছিকিউৰিটি প্ৰদান কৰিব লাগিব।
18.	মাচুল আৰু অন্য চার্জসমূহৰ সূচী	তলত উল্লেখ কৰা অনুসৰি লোনৰ আবেদন প্ৰক্ৰিয়াৰ সময়ত / লোন চলি থকাৰ সময়ত প্ৰযোজ্য হোৱা মাচুল আৰু চার্জসমূহ লোনদাতাৰ অভ্যন্তৰীণ নীতি অনুসৰি সময়ে সময়ে সালসলনি বা সংশোধন হ'ব পাৰে। এনে ধৰণৰ যিকোনো সংশোধন লোনদাতাই নিজৰ ৱেবছাইট www.piramalfinance.com, বা ইয়াৰ শাখা কার্যালয়সমূহ অথবা লোনদাতাই উপযুক্ত বুলি বিবেচনা কৰা অন্য মাধ্যমৰ জৰিয়তে জনসাধাৰণক অৱগত কৰিব। প্ৰযোজ্য প্ৰক্ৰিয়াকৰণ মাচুল বা বন্ধকী পঞ্জীয়ন মাচুল আৰু ষ্টাম্প ডিউটি চার্জ প্ৰথমবাৰৰ ধন বিতৰণৰ সময়তেই লোনৰ ধনৰ পৰা কাটি লোৱা হ'ব। যদিহে কোনো ধন আহৰণ কৰা নহয়, তেন্তে এনেবোৰ মাচুল লোনলওঁতাই লোনৰ মেচিউৰিটিৰ তাৰিখত পৰিশোধ কৰিব লাগিব আৰু উক্ত ধন পৰিশোধ কৰাৰ পিছতহে ছিকিউৰিটিজৰ ওপৰত থকা লীয়েন/ চার্জ উঠাই লোৱা হ'ব।
	(i) প্ৰক্ৰিয়াকৰণ মাচুল	[●]/- টকা + প্ৰযোজ্য কৰ অন্তৰ্ভূক্ত,
	(ii) জৰিমণাৰ চার্জ	1. 24% বাৰ্ষিক অর্থাৎ 2% প্ৰতিমাহে বকেয়া ধনৰ ওপৰত, এনে বকেয় ধনৰ তাৰিখৰ পৰা প্ৰকৃত পৰিশোধৰ তাৰিখলৈকে 2. 24% বাৰ্ষিক অর্থাৎ 2% প্ৰতিমাহে বাকী থকা ধনৰ ওপৰত, লোনলওঁতাই তলত বিতংভাৱে উল্লেখ কৰা যিকোনো চর্ত আৰু নিয়ম মানি নচলাৰ বাবে, এনে অমান্যতাৰ তাৰিখৰ পৰা আৰম্ভ হোৱা সময়ছোৱাৰ বাবে লোনদাতাৰ সন্তুষ্টিৰ বাবে একেখিনি নিৰাময় নোহোৱালৈকে

		<u>তলত দিয়া চর্ত আৰু নিয়মসমূহ অমান্য কৰাৰ বাবে আৰোপ কৰিবলগীয়া জৰিমণামূলক চার্জ:</u> • চুক্তিত উল্লেখ কৰা অনুসৰি নির্ধাৰিত তাৰিখত বা তাৰ আগতে, চুক্তিৰ অধীনত সম্পূর্ণৰূপে বা অন্য কোনো বাবদ বাকী থকা ধনৰাশি বা কিস্তিৰ ডিফল্ট বা পৰিশোধ নকৰা। • চুক্তি বা লেনদেনৰ নথিপত্রৰ ক্ষেত্রত নির্দিষ্ট সময়ৰ ভিতৰত বা বর্ধিত সময়ৰ ভিতৰত ছিকিউৰিটি প্রদান নকৰা। • লেনদেন নথিপত্রত নির্ধাৰিত সময়ৰ ভিতৰত মার্জিন ৰক্ষণাবেক্ষণ বা মার্জিন কল পূৰণ নকৰা। • লোনআবেদনত লোনলওঁতা/বন্ধকদাতাই দিয়া যিকোনো তথ্য, বা লোনদাতাক প্রদান কৰা বিত্তীয় তথ্য, আৰু/বা আন কোনো নথিপত্র/ প্রমাণপত্র/ৰচিদ/বিবৃতি, আর্থিক সাহায্যৰ বাবে লোনদাতাক বিভ্রান্তিকৰ বা ভুল বুলি ধৰা পৰে। • যদি লোনদাতাই লোনৰ পৰিমাণ বা ইয়াৰ কোনো অংশক লোন অনুমোদন কৰা উদ্দেশ্যৰ বাহিৰে আন কোনো উদ্দেশ্যত অপব্যৱহাৰ কৰে বা লোন লাভ কৰা উদ্দেশ্য অবৈধ হৈ পৰে বা লোনদাতাই সময়ে সময়ে নিষিদ্ধ কৰা অন্য কোনো উদ্দেশ্যত। • চুক্তিৰ অধীনত প্রদান কৰা যিকোনো পেমেণ্ট নির্দেশনাৰ প্রত্যাখ্যান / চুক্তিৰ অধীনত যিকোনো ধৰণৰ পেমেণ্ট বন্ধ কৰাৰ বাবে লোনলওঁতাই দিয়া যিকোনো নির্দেশনা বা লোনদাতাক কোনো NACH মেণ্ডেট বা NACH মেণ্ডেট বাতিল নকৰিবলৈ দিয়া নির্দেশনা। • লোনদাতাই লেনদেন নথিপত্রৰ চর্তসমূহৰ অধীনত লোনদাতাই উত্থাপন কৰা যিকোনো দাবী অনুসৰি লোনলওঁতা/ বন্ধকদাতাই প্রয়োজন অনুসৰি নথিপত্র আৰু/বা যিকোনো তথ্য দাখিল কৰাত ব্যর্থ হোৱা। • লোন আবেদনৰ সময়ত দাখিল কৰা ঠিকনা, নিয়োগ বা অন্যান্য তথ্যৰ পৰিৱর্তনকে ধৰি পৰিৱর্তনৰ 30 দিনৰ ভিতৰত আপডেট কৰা KYC নথিপত্র দাখিল নকৰা। • যদিহে ছিকিউৰিটি বা ইয়াৰ এটা অংশ সমাপ্ত কৰা হয়, উপহাৰ দিয়া হয় বা মূল্য হ্রাস পায় আৰু লোনলওঁতা/বন্ধকদাতাই ছিকিউৰিটি কভাৰ বজাই ৰাখিবলৈ অতিৰিক্ত নিৰাপত্তা প্রদান কৰাত ব্যর্থ হয়, বা লোনদাতাই নির্ধাৰণ কৰা ধৰণে ছিকিউৰিটি বা ইয়াৰ কোনো অংশৰ ওপৰত কোনো ধৰণৰ সংলগ্নতা বা বিক্ষিপ্ততা আৰোপ কৰা হয় বা যদি প্রদান কৰা ছিকিউতিটি স্বার্থ বলবৎ কৰিব নোৱাৰা প্রকৃতিৰ হৈ পৰে।
	(iii) NACH/ **চেক বাউন্স চার্জ**	Rs. 500/- + **জিএছটি** (GST)
	(iv) **লীয়েন আৰু বন্ধক সৃষ্টি আমন্ত্রণ/ বাতিলৰ চার্জ**	**প্রকৃতৰ ওপৰত + প্রযোজ্য কৰ**
	(v) **ব্রোকাৰেজ চার্জ**	**প্রকৃতৰ ওপৰত + প্রযোজ্য কৰ** **(ছিকিউৰিটিজ বিক্রীৰ সময়ত ডিপজিটৰী অংশগ্রহণকাৰীয়ে ব্রোকাৰেজ চার্জ কর্তন কৰিব লাগিব)**
	(vi) **যিকোনো আইনী**	**প্রকৃতৰ ওপৰত + প্রযোজ্য কৰ**

	ব্যয়/চার্জ	
	(vii) **পুনৰোদ্ধাৰ সম্পৰ্কীয় চার্জ**	**প্ৰকৃতৰ ওপৰত + প্ৰযোজ্য কৰ**
	(viii) **ষ্টাম্প ডিউটি/ফ্ৰাঙ্কিং চার্জ**	**প্ৰকৃতৰ ওপৰত + প্ৰযোজ্য কৰ**
	(ix) **বিধিগত চার্জ (যদি প্ৰযোজ্য হয়)**	**প্ৰকৃতৰ ওপৰত + প্ৰযোজ্য কৰ**
19.	**চালিচীৰ অধিকাৰক্ষেত্ৰ, আসন আৰু স্থান**	**আদালতৰ চালিচী আৰু অধিকাৰক্ষেত্ৰৰ আসন বা স্থান হ'ব দিল্লী য'ত তলত উল্লেখ কৰা ধৰণে এই চুক্তিখনৰ কাৰ্যকৰীকৰণৰ স্থান হয়।**
20.	**গ্ৰাহক সেৱা**:	**লোনলওঁতাই আমাৰ কোম্পানী ৱেবছাইটত উল্লেখ কৰা টোল ফ্ৰী নম্বৰৰ জৰিয়তে তেওঁৰ অভিযোগ উত্থাপন কৰিব পাৰে বা** customerservice.pel@piramal.com **লৈ ইমেইল কৰিব পাৰে বা শাখাৰ অপাৰেচনেল মেনেজাৰক লগ কৰিব পাৰে। অভিযোগ পোৱাৰ লগে লগে ইয়াৰ সমাধানৰ ব্যৱস্থা কৰা হ'ব।**
21.	**অভিযোগ নিষ্পত্তি:**	**লোনলওঁতাই তেওঁৰ সকলো অভিযোগ আৰু ওজৰ-আপত্তি নিষ্পত্তি কৰাৰ বাবে লোনদাতাৰ ওচৰ চাপিব লাগিব** • **লোনলওঁতাই আমাৰ কোম্পানী ৱেবছাইটত উল্লেখ কৰা টোল ফ্ৰী নম্বৰৰ জৰিয়তে তেওঁৰ অভিযোগ উত্থাপন কৰিব পাৰে বা** customerservice.pel@piramal.com **লৈ ইমেইল কৰিব পাৰে বা শাখাৰ অপাৰেচনেল মেনেজাৰক লগ কৰিব পাৰে। অভিযোগ পোৱাৰ লগে লগে সমাধান কৰিবলৈ চেষ্টা কৰা হ'ব।** • **যদি লোনলওঁতাই প্ৰদান কৰা সমাধানত সন্তুষ্ট নহয়, বা 15 দিনৰ ভিতৰত তেওঁৰ প্ৰশ্নৰ সমাধান নহয়, তেন্তে লোনলওঁতাই আমাক এই নম্বৰত লিখিত ভাৱে অভিযোগ দিব পাৰে:** grievances@piramal.com • **যদি লোনলওঁতাই স্তৰ 2-ত প্ৰদান কৰা সমাধানত সন্তুষ্ট নহয় বা তেওঁৰ প্ৰশ্নসমূহ 15 দিনৰ ভিতৰত সমাধান নহয়, তেন্তে লোনলওঁতাই নিম্নোক্ত স্তৰত অভিযোগ দিব পাৰে:** **পঞ্জীয়নভুক্ত কাৰ্যালয়ৰ ঠিকনা:** ৬০১, ৬ষ্ঠ মহলা, অমিতি বিল্ডিং, পিৰামল কৰ্পোৰেট পাৰ্ক, কামানি জংচন, ফায়াৰ ষ্টেচনৰ সন্মুখত, এলবিএছ মাৰ্গ, কুৰ্লা (পশ্চিম), মুম্বাই - ৪০০০৭০	**CIN:** L64910MH1984PLC032639 www.piramalfinance.com	**ইমেইল আইডি:** customercare@piramal.com	**টোল-ফ্ৰী নম্বৰ:** ১৮০০ ২৬৬৬ ৪৪৪ *ঋণ পিৰামল ফাইনেন্সৰ অনুমোদনৰ অধীনত প্ৰদান কৰা হয়। গ্ৰাহক সেৱাৰ বাবে অনুমোদিত সংস্থাসমূহৰ সেৱা ব্যৱহাৰ কৰা হ'ব পাৰে। **নিয়ম আৰু চৰ্তসমূহ প্ৰযোজ্য।** • **ওপৰৰ ত্ৰৈমাসিকৰ পৰা 30 দিনৰ ভিতৰত গ্ৰাহকৰ সন্তুষ্টিৰ**

		বাবে অভিযোগৰ প্ৰত্যোত্তৰ নিদিয়াৰ ক্ষেত্ৰত লোমলওঁতাই ইয়াত দিয়া লিংক https://cms.rbi.org.in **ত অনলাইন অভিযোগ দাখিল কৰি** RBI CMS **পৰ্টেলৰ সৈতে যোগাযোগ কৰিব পাৰে বা তলত উল্লেখ কৰা ঠিকনাত লিখিব পাৰে: কেন্দ্ৰীভূত প্ৰাপ্তি আৰু প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ, ভাৰতীয় ৰিজাৰ্ভ বেংক,** 4th **ফ্লৰ, ছেক্টৰ 17, চণ্ডীগড়** – 160017, **টোল ফ্ৰী নং** 14448
21	**অভিযোগ নিষ্পত্তিকাৰী বিষয়া**	**নাম**: **মিচ হেতেল পৰিহাৰ** **পদবী**: **নডেল বিষয়া** পঞ্জীয়নভুক্ত কার্যালয়ৰ ঠিকনা: **৬০১, ৬ষ্ঠ মহলা, অমিতি বিল্ডিং, পিৰামল কৰ্পোৰেট পাৰ্ক, কামানি জংচন, ফায়াৰ ষ্টেচনৰ সন্মুখত, এলবিএছ্ মাৰ্গ, কুৰ্লা (পশ্চিম), মুম্বাই - ৪০০০৭০ |** CIN: **L64910MH1984PLC032639** www.piramalfinance.com **|** ইমেইল আইডি: **customercare@piramal.com |** টোল-ফ্ৰী নম্বৰ: **১৮০০ ২৬৬৬ ৪৪৪** ***ঋণ পিৰামল ফাইনেন্সৰ অনুমোদনৰ অধীনত প্ৰদান কৰা হয়। গ্ৰাহক সেৱাৰ বাবে অনুমোদিত সংস্থাসমূহৰ সেৱা ব্যৱহাৰ কৰা হ'ব পাৰে।** নিয়ম আৰু চৰ্তসমূহ প্ৰযোজ্য।

অন্য চৰ্তাৱলী

a) **এই অনুমোদনপত্ৰখন লোনৰ আবেদন কৰাৰ সময়ত লোনলওঁতাই জমা দিয়া তথ্য আৰু নথিপত্ৰৰ আধাৰত জাৰী কৰা হৈছে। লোন মুকলি কৰাৰ আগতে যিকোনো পৰ্যায়ত যদি কোনো খেলিমেলি, বিসংগতি বা ভুৱা তথ্য ধৰা পৰে, তেন্তে লোনদাতাৰ এই অনুমোদনপত্ৰখন সংশোধন কৰাৰ বা বাতিল কৰাৰ সম্পূৰ্ণ অধিকাৰ থাকিব।**

b) **এই অনুমোদনপত্ৰখন কেৱল এখন প্ৰস্তাৱৰ পত্ৰ হিচাপেহে গণ্য কৰা হ'ব। এই অনুমোদনপত্ৰখন সংশোধন, উঠাই লোৱা বা বাতিল কৰা হ'ব যদিহে :যি উদ্দেশ্যৰ বাবে এই ফ্লেক্সি লোন মঞ্জুৰ কৰা হৈছে, তাত কোনো গুৰুত্বপূৰ্ণ সালসলনি ঘটে; লোনদাতাৰ একমাত্ৰ সিদ্ধান্ত অনুসৰি এনে কোনো ঘটনা ঘটে যিয়ে কোনো স্বাৰ্থৰ ক্ষতি কৰে বা লোনলওঁতাৰ বিত্তীয় স্থিতি অথবা লোনৰ চৰ্তসমূহ পালন কৰাৰ ক্ষমতাক প্ৰভাৱিত কৰিব পাৰে; গ্ৰাহকে প্ৰদান কৰা কোনো তথ্য বা প্ৰতিশ্ৰুতি ভুল বা অসত্য প্ৰমাণিত হয়, অথবা কোনো গুৰুত্বপূৰ্ণ তথ্য লুকুৱাই ৰখা ধৰা পৰে; অথবা লোনদাতাই লিখিতভাৱে ম্যাদ সম্প্ৰসাৰণ নকৰাকৈ এই প্ৰস্তাৱৰ বৈধতাৰ সময়সীমা সমাপ্ত হয়।**

c) **এই অনুমোদন প্ৰক্ৰিয়াটো লোনদাতাৰ একমাত্ৰ নিজা বিবেচনাৰ অধীনত থাকিব। লোনদাতাই কোনো কাৰণ দৰ্শোৱা নকৰাকৈ, পূৰ্ববৰ্তী লিখিত জাননীৰ সাপেক্ষে এই অনুমোদন আংশিকভাৱে বা সম্পূৰ্ণৰূপে বাতিল কৰিব পাৰিব, অথবা চৰ্তপূৰণ নকৰাকে ধৰি যিকোনো পৰিস্থিতিত নিজৰ বিবেচনা অনুসৰি ফ্লেক্সি লোনৰ বাকী থকা ধন উলিওৱা বন্ধ বা স্থগিত ৰাখিব পাৰিব। এই**

ফ্লেক্সি লোন এই অনুমোদনপত্রৰ লগতে লোনদাতা আৰু লোনলওঁতাৰ মাজত স্বাক্ষৰিত লোন চুক্তিৰ চর্তসমূহৰ দ্বাৰাও পৰিচালিত হ'ব।

d) লোনলওঁতাই ফ্লেক্সি লোন প্রকৃততে প্রদান কৰাৰ সময়ত লোনদাতাক প্রয়োজন অনুসৰি কিছুমান অতিৰিক্ত বিৱৰণ বা নথি-পত্র প্রদান কৰিব লাগিব।

e) অনুমোদিত ধনৰ প্রকৃত বিতৰণ লোনলওঁতাই প্রয়োজনীয় লোন চুক্তি, ছিকিউৰিটি নথিপত্র আৰু লেনদেনৰ নথিপত্র নিষ্পাদনৰ অধীনত হ'ব, যিটো লোনলওঁতা আৰু লোনদাতাৰ মাজৰ এই সম্পর্কৰ বাবে সকলো উদ্দেশ্যৰ বাবে চূড়ান্ত, বাধ্যতামূলক আৰু স্থানান্তৰিত নথি হ'ব।

f) এই অনুমোদনে কাৰো হাতত ফ্লেক্সি লোনৰ ধনৰ কোনো ধৰণৰ বিতৰণ দাবী কৰাৰ অধিকাৰ নিহিত নহয় আৰু কোনো কাৰণতে ফ্লেক্সি লোন প্রদান নকৰাৰ বাবে লোনদাতাৰ বিৰুদ্ধে ক্ষতিপূৰণ দাবী কৰাৰ অধিকাৰ কোনোৱেই নাথাকিব।

g) মার্জিনৰ প্রয়োজনীয়তা, সুতৰ হাৰ আৰু অন্যান্য চর্তসমূহ, RBI/লোনদাতাই সময়ে সময়ে নির্ধাৰণ কৰা ধৰণে পুনৰীক্ষণৰ আওতাত থাকে।

h) প্রতিটো লোনৰ সুতৰ হাৰ বিভিন্ন কাৰক যেনে গ্রাহকৰ প্রফাইল, লোনৰ কার্যকাল, লোনৰ প্রকাৰ, ছিকিউৰিটিৰ মূল্য আদি বিবেচনা কৰি নির্ধাৰণ কৰা হ'ব।সুতৰ গ্রেডেচন ক্রেডিট ব্যুৰোৰ স্ক'ৰ, আয় আদিৰ ওপৰত ভিত্তি কৰি কৰা হ'ব।অধিক সবিশেষ জানিবলৈ আমাৰ ৱেবছাইট www.piramalfinance.com চাওক।

i) অনুমোদন পত্র আৰু লোন চুক্তিৰ মাজত বিবাদ সৃষ্টি হ'লে বিবাদ সমাধানৰ ক্ষেত্রত লোন চুক্তিক প্রধান্য দিয়া হ'ব।

j) লোনলওঁতাই নিশ্চিত কৰে যে লোনলওঁতা ইংৰাজীত উল্লেখ কৰা ধৰণে ফ্লেক্সি লোন অনুমোদন কৰা এই অনুমোদন পত্রৰ চর্ত আৰু নিয়মসমূহ বুজি পাইছে/ পত্রখনৰ উল্লেখিত চর্তসমূহ লোনলওঁতাক তেওঁ বুজিপোৱা ভাষাত/ স্থানীয় ভাষাত ব্যাখ্যা কৰা হৈছে আৰু লোনলওঁতাই ওপৰত উল্লেখ কৰা চর্ত আৰু নিয়ম অনুসৰি ফ্লেক্সি লোন গ্রহণ কৰে।

k) লোনদাতাৰ প্রয়োজন অনুসৰি বা প্রযোজ্য আইনৰ অধীনত, ছিকিউৰিটিজৰ ওপৰত লোনদাতাৰ বন্ধক সৃষ্টিৰ কার্যকৰী কৰিবলৈ প্রযোজ্য অনুসৰি ডিপজিটৰী অংশগ্রহণকাৰী (ডিপি) আৰু পঞ্জীয়ক আৰু স্থানান্তৰ এজেণ্ট (আৰটিএ)ৰ সৈতে আবেদন (সমূহ) / অনুৰোধ (সমূহ) স্বাক্ষৰ বা বৈধকৰণকে ধৰি সকলো কাম কৰিবলৈ লোনলওঁতাজন দায়বদ্ধ হ'ব।

l) লোনৰ আবেদন নাকচ হোৱা, প্রত্যাহাৰ কৰা বা যিকোনো কাৰণতে অনুমোদন নোপোৱাৰ বাবে বাতিল হ'লে)এটা বাতিলকৰণ ঘটনা(, লোনদাতাই প্রযোজ্য আইন অনুসৰি নির্ধাৰিত সময়সীমাৰ ভিতৰত, বা আইনৰ উল্লেখ নাথাকিলে বাতিলকৰণ ঘটনাৰ তাৰিখৰ পৰা সর্বোচ্চ 30 দিনৰ (ত্রিশ)ভিতৰত, বন্ধকী সম্পত্তি মুকলি /লীয়েন হ্রাস কৰাৰ প্রক্রিয়া আৰম্ভ কৰিব। অৱশ্যে, ইয়াৰ বাবে লোনলওঁতাই দিবলগীয়া সকলো ধৰণৰ প্রযোজ্য মাচুল আৰু বাকী থকা মাচুল পৰিশোধ কৰিব লাগিব। উক্ত মাচুল বা পাবলগীয়া ধন পৰিশোধ নকৰিলে, লোনদাতাই সেই বাকী ধন আদায় কৰিবলৈ প্রয়োজন অনুসৰি বন্ধক ৰখা ছিকিউৰিটি বিক্রী কৰাৰ আৰু/ বা ব্যৱহাৰ কৰাৰ সম্পূর্ণ অধিকাৰ ৰাখিব।

m) লোন আংশিকভাৱে পূর্ব-পৰিশোধ, সম্পূর্ণ পুনর্পৰিশোধ বা ফ'ৰক্লজাৰ/পূর্ব-পৰিশোধ কৰাৰ ক্ষেত্ৰত (প্ৰত্যেকটোকে "যোগ্য ঘটনা" বুলি গণ্য কৰা হ'ব), লোন লওঁতাৰ অনুৰোধ অনুসৰি, লোনৰ নথিপত্ৰত উল্লেখিত সকলো চর্ত আৰু বাধ্যবাধকতা পূৰণ কৰাৰ সাপেক্ষে—যাতে প্ৰযোজ্য মুকলি/বন্ধক মুক্ত কৰা মাচুল পৰিশোধ আৰু নির্ধাৰিত মার্জিন/লোন-টু-ভেল্যু প্ৰয়োজনীয়তাৰ ৰক্ষণাবেক্ষণ (য'ত প্ৰযোজ্য) অন্তর্ভুক্ত থাকে, লোনদাতাই প্ৰযোজ্য আইনৰ অধীনত নির্ধাৰিত সময়সীমাৰ ভিতৰত, বা আইনৰ কোনো নির্দশনা নথকাৰ অৱস্থাত, এনে চর্তসমূহ পূৰণ হোৱা তাৰিখৰ পৰা সর্বাধিক 30 (ত্ৰিছ) দিনৰ ভিতৰত এক যুক্তিসংগত সময়ৰ ভিতৰত ছিকিউৰিটি মুকলি বা বন্ধকৰ পৰা মুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব। ইয়াত উল্লেখ কৰা প্ৰক্ৰিয়া আৰম্ভ কৰাৰ সত্বেও, যদি কোনো ধৰণৰ ব্যতিক্ৰম বা ডিফল্টৰ ঘটনা অব্যাহত থাকে অথবা য'ত কোনো আইনী, নিয়ন্ত্ৰণমূলক বা সংবিধিবদ্ধ বাধাৰ বাবে মুকলি কৰাত নিষেধাজ্ঞা থাকে, তেন্তে লোনদাতা ধার্য কৰা বন্ধকী ছিকিউৰিটি মুকলি বা লিয়েন মুক্ত কৰিবলৈ বাধ্য নহ'ব।

n) লোনলওঁতাই লগতে নিশ্চিত কৰে যে লোনলওঁতাই ফ্লেক্সি লোনত প্ৰযোজ্য পূর্বোক্ত মাচুলসমূহৰ বিষয়ে অৱগত আৰু অনুধাৱন কৰিছে, আৰু ভিন্ন শ্ৰেণীৰ লোনলওঁতাৰ বাবে সুতৰ হাৰ বেলেগ বেলেগ কৰাৰ বাবে লোনদাতাই অৱলম্বন কৰা 'গ্ৰেডেচন ৰিস্ক' আৰু ইয়াৰ যুক্তিসংগত ধাৰণা তথা লোনদাতাৰ ৱেবছাইটত প্ৰকাশিত অন্যান্য নীতিনিয়মসমূহ ভালদৰে বুজি পাইছে।-লিংক: www.piramalfinance.com